# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৫ চেপ্তেম্বৰ ২০২০ চনত মছজিদ মোবাৰক ,ইছলামাবাদ বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদাসম্পন্ন বদৰি চাহাবী হজৰত বিলাল বিন ৰুবাহ(ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনাৰ বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে,আগৰে পৰাই হজৰত বিলাল বিন ৰুবাহ (ৰাঃ)ৰ বিষয়ে ঐতিহাসিক বৰ্ণনা চলি আছে। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, এবাৰ নবী কৰীম (ছাঃ)য়ে ফজৰৰ নামাজৰ সময়ত হজৰত বিলাল (ৰাঃ)ক সুধিছিল যে বিলাল তুমি মোক কোৱা যি আটাইতকৈ কল্যাণময় আমল ইছলামত তুমি কৰিছা! কাৰণ বেহেস্তত মই মোৰ আগে আগে তোমাৰ চৰণ কমলৰ ধ্বনি শুনিবলৈ পাইছো। হজৰত বিলাল (ৰাঃ)য়ে উত্তৰ দিছিল মই ইয়াতকৈ বেছি কল্যাণকৰ আমল আৰু একোৱে কৰা নাই যে যেতিয়াই মই ৰাতি অথবা দিনত অজু কৰিছিলোঁ তেতিয়া মই অজু কৰাৰ লগে লগে নমাজ অৱশ্যই পঢ়িছো, যিমানদুৰ সম্ভৱ নমাজ পঢ়িবলৈ মোৰ ভাগ্যত জোঁটিছিল।

আন এটা বৰ্ণনাত উল্লেখ আছে যে,ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে, ৰাতি যেতিয়া মোক জান্নাতৰ ফালে লৈ যোৱা হৈছিল তেতিয়া মই মানুহৰ খোজৰ শব্দ শুনা পাইছিলোঁ। মই কৈছিলো হে জিব্ৰাইল, এয়া কাৰ খোজৰ শব্দ ? হজৰত জিব্ৰাইল (আঃ)য়ে উত্তৰ দিছিল, এইজন হজৰত বিলাল (ৰাঃ)। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছে,হায় ! কিমান উত্তম হ'লহেঁতেন যদি মই বিলালৰ মাকৰ গৰ্ভৰ পৰা জন্মিলোহেঁতেন। হায় ! বিলালৰ দেউতাক যদি মোৰ দেউতা হ'লহেঁতেন আৰু যদি মই বিলালৰ দৰে হলোহেঁতেন। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, হজৰত বিলাল (ৰাঃ)ৰ স্থান কিমানেই যে উচ্চ আছিল; যাক এটা সময়ত নিকৃষ্ট বুলি ভাবি শিলগুটিৰ ওপৰত চোঁচৰাই লৈ ফুৰা হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়েও ইচ্ছা কৰিছিল যে হায় (কাশ) যদি মই বিলাল হলো হয়।

এবাৰ হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে মহিলা সকললৈ ভাষণ প্ৰদান কৰোঁতে কয় যে,সেই কাম যি খোদা তা'লাৰ ওৱাস্তে কৰিবা, সেয়াই থাকিব। আজি হজৰত বিলাল (ৰাঃ)ৰ সন্তান-সন্ততি ক'ত আছে, আমি নাজানো কোনো সন্তান আছে নে নাই; আৰু আছে যদি তেন্তে ক'ত আছে ? তেওঁলোকৰ ঘৰ ক'ত ? তেওঁলোকৰ সা-সম্পত্তি ক'ত আছে ? কিন্তু সেয়া এতিয়াও ৰৈ আছে আৰু ভৱিষ্যতলৈ থাকিব আৰু এয়া সেই পুণ্য যি চিৰস্থায়ী পুণ্য।

হজৰত বিলাল (ৰাঃ)য়ে ৪৪ টা হাদীছ বৰ্ণনা কৰিছে; ছহী বুখাৰী আৰু ছহী মুছলিম চৰিফত চাৰিটা ৰিৱায়ত আছে। এটা ৰিৱায়তত আছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে,জান্নাতে তিনিজন লোকলৈ অপেক্ষা কৰি আছে আৰু তেওঁলোক হ'ল আলি, আম্মাৰ আৰু বিলাল।

এবাৰ হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ দয়া গুণ সম্পৰ্কে বৰ্ণনা কৰি থাকোতে হজৰত বিলাল (ৰাঃ)ৰ ফালে ইঙ্গিত দি কৈছিল এইজন বিলাল; যিজন আমাৰ চৰদাৰ হয় আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ নেকিৰ মাজত এটা নেকি হয়, কাৰণ হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক দাসত্ব জীৱনৰ পৰা মুক্ত কৰিছিল।

আয়েজ বিন উমৰুৰ পৰা বৰ্ণিত আছে যে, আঁ-হজৰত (ছাঃ)য়ে কৈছে, হে আবু বক্কৰ, যদি তুমি হজৰত ছলমান,হজৰত ছুহেব আৰু হজৰত বিলাল (ৰাঃ)ক অসন্তুষ্ট কৰা তেন্তে তুমি নিজৰ সৃষ্টি কৰ্তাক অসন্তুষ্ট কৰিবা।

হজৰত আবু মুছাৰ পৰা বৰ্ণিত আছে যে, এজন আ'ৰাবী (মূৰ্খ)লোক ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহি উপস্থিত হয় আৰু আবেদন জনায় যে, হে মহম্মদ (ছাঃ) আপুনি মোক দিয়া প্ৰতিশ্ৰুতি পূৰ্ণ নকৰিবনে ? ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁক কৈছিল, তোমাৰ ওপৰত সুসংবাদ অৱতীৰ্ণ হওঁক। এই কথা শুনি গাঁৱলীয়া লোকজনে কৈছিল যে, আপুনি এয়া মোক বৰ আহুকালৰ কথা কৈ দিলে। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আবু মুছা আৰু হজৰত বিলাল (ৰাঃ)ৰ ফালে চাই কয় যে, এওঁ এই সুসংবাদ বাতিল কৰি দিলে। গতিকে তোমালোক দুয়ো এই সুসংবাদ গ্ৰহণ কৰি লোৱা।এওঁলোক দুজনে নিবেদন কৰিলে যে, ইয়া ৰছুলুল্লাহ! আমি এয়া গ্ৰহণ কৰিলোঁ। আকৌ ৰছুলুল্লাহ (ছাঃ)য়ে এটা পিয়লা অনাইছিল। য'ত পানী ভৰ্তি আছিল। সেই পানীৰে নিজৰ দুখন হাত আৰু মূখমণ্ডল ধুইছিল আৰু কুল্লি কৰিছিল। ইয়াৰ পিছত কৈছিল যে, তোমালোকে ইয়াৰ পৰা পান কৰা আৰু দুয়োজনে নিজৰ নিজৰ মূখমণ্ডল আৰু বুকুত মচি (মোহাৰি)লোৱা আৰু আনন্দিত হোৱা। গতিকে এওঁলোক দুজনে সেই পিয়লা লৈ লৈছিল আৰু তেনেকুৱাই কৰিছিল যেনেকুৱা কৰিবলৈ ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোক দুজনক নিৰ্দেশ দিছিল। সেই ক্ষণতে পৰ্দাৰ পিছৰ পৰা হজৰত উম্মে ছালমা (ৰাঃ) তেওঁলোকক মাত দিছিল যে, তোমালোকক দিয়া বাটিত ঘি আছে, তাৰ পৰা সামান্য পৰিমাণে নিজৰ মাকৰ বাবে অৰ্থাৎ হজৰত উম্মে ছালমা (উম্মুল মোমিনিন)ৰ বাবে বচোৱা।তেতিয়া তেওঁলোক দুজনে উম্মুল মোমিনিন হজৰত উম্মে ছালমা (ৰাঃ)ৰ বাবে তাৰ পৰা সামান্য বচাই ৰাখিছিল।

হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, নবী কৰীম (ছাঃ)য়ে কৈছে প্ৰত্যেক নবীক আল্লাহ তা'লা সাতজনকৈ নকিব (সংবাদ দিওঁতা )দান কৰিছে আৰু মোক চৈধ্যজন সংবাদকাৰী দান কৰা হৈছে। মই সুধিছিলো তেওঁলোক কোন হয় ? হজৰত আলি (ৰাঃ)য়ে উত্তৰত কৈছিল যে, সেই সকল হ'ল মোৰ দুই পুত্ৰ আৰু জাফৰ, হামজা, আবু বক্কৰ,উমৰ,মুছায়েব বিন উমেৰ, বিলাল,ছলমান, মিকদাদ,আবু জাৰ,আম্মাৰ আৰু আব্দুল্লাহ বিন মাছুদ (ৰাঃ)।

হজৰত জায়েদ বিন আৰকমৰ পৰা বৰ্ণিত আছে যে,ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে,বিলাল কিমানেই যে উত্তম মানৱ, তেওঁ সকলো মোৱাজ্জিনৰ চৰদাৰ, তাৰ আনুগত্যকাৰী সকলে কেৱল মোৱাজ্জিনেই হ'ব আৰু কিয়ামতৰ দিনা আটাইতকৈ দীঘল ডিঙি থকা মোৱাজ্জিন হ'ব। হজৰত জায়েদ বিন আৰকমৰ পৰা বৰ্ণিত আছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে- বিলাল কিমানেই যে উত্তম মানৱ,তেওঁ শ্বহীদ সকল আৰু মোৱাজ্জিন সকলৰ চৰদাৰ হয় আৰু কিয়ামতৰ দিনা আটাইতকৈ দীঘল ডিঙি থকা ব্যক্তি হ'ব হজৰত বিলাল (ৰাঃ) অৰ্থাৎ হজৰত বিলাল (ৰাঃ)য়ে কিয়ামতৰ দিনা শীৰ্ষতম মৰ্যাদাৰ স্থান (পদ) লাভ কৰিব।

আন এটা বৰ্ণনাত উল্লেখ আছে যে, হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে, হজৰত বিলাল (ৰাঃ)ক জান্নাতৰ উটনী বিলাকৰ পৰা এটা উটনী দান কৰা হ'ব আৰু তেওঁ সেই উটনীৰ ওপৰত আৰোহণ কৰিব। হজৰত বিলাল (ৰাঃ)ৰ পত্নীয়ে বৰ্ণনা কৰিছে যে, আঁ-হজৰত (ছাঃ)য়ে কৈছে, বিলাল (ৰাঃ)য়ে মোৰ পৰা শুনি যিবোৰ কথা

তোমালোকক কৈছে, সেইবোৰ নিশ্চয় সত্য হ'ব আৰু বিলাল (ৰাঃ)য়ে তোমালোকৰ সৈতে ভুল কথা নক'ব। গতিকে তোমালোকে বিলালৰ ওপৰত কেতিয়াও অসন্তুষ্ট ন'হবা, নহ'লে সেই সময়লৈকে তোমালোকৰ কোনো আমল গ্ৰহণ নহ'ব, যেতিয়ালৈকে তোমালোকে বিলালক অসুন্তুষ্ট ৰাখিবা।

হজৰত আবু হুৰাইৰা (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে, আঁ-হজৰত (ছাঃ)য়ে কৈছে যে, বিলালৰ উদাহৰণ মৌ মাখিৰ দৰে হয়, যিয়ে মিঠা ফল আৰু কেহা ফুলৰ পৰাও ৰস চুহি লয়। কিন্তু যেতিয়া সকলো মিলি মৌ তৈয়াৰ হয় তেতিয়া মিঠা হৈ যায়। হজৰত বিলাল (ৰাঃ)ৰ পত্নীয়ে বৰ্ণনা কৰিছে যে, হজৰত বিলাল (ৰাঃ)য়ে যেতিয়া বিছনাত শুইছিল(বাগৰ দিছিল) তেতিয়া এই দোৱা পঢ়িছিল যে, হে আল্লাহ,তুমি মোৰ পাপ ক্ষমা কৰা আৰু মোৰ গাফিলতিৰ ক্ষেত্ৰত মোক অক্ষম বুলি ক্ষমা কৰা।

হজৰত বিলাল (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে তেখেত (ৰাঃ)ক কৈছিল, হে বিলাল! দৰিদ্ৰ অৱস্থাত মৰিবা আৰু সম্পদশালী (ধনী) অৱস্থাত নমৰিবা। হজৰত বিলাল নিবেদন কৰিছিল যে, ইয়া ৰছুলুল্লাহ (ছাঃ)এয়া কেনেদৰে হ'ব, মই বুজি পোৱা নাই। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যি ৰিজক তোমাক দান কৰা হৈছে সেয়া সঞ্চয় কৰি নাৰাখিবা আৰু যি বস্তু তোমাৰ ওচৰত বিচৰা হয়, সেয়া দিবলৈ অবাধ্য নহ'বা। তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে কৈছিল,ইয়া ৰছুলুল্লাহ (ছাঃ)যদি মই এনেকুৱা কৰিব নোৱাৰো তেন্তে কি হ'ব ? ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল এনেকুৱাই কৰিব লাগিব নহলে অগ্নি হ'ব স্থান। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, ইয়াৰ অৰ্থ হ'ল কোনো মগনীয়াক খেদি পঠিয়াব নালাগে আৰু এয়াও যেন নহয় যে, কেৱল সঞ্চয় কৰি থাকিবা,খৰচ নকৰিবা, খৰচ কৰাৰ প্ৰয়োজন আছে।

হজৰত বিলাল (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কালত ২০ হিজৰীত দামাস্কাত (স্বামত) মৃত্যু বৰণ কৰিছিল। মৃত্যুৰ সময়ত হজৰত বিলাল (ৰাঃ)ৰ বয়স হৈছিল ষাটি বছৰতকৈ বেছি। কিছুমান লোকে ধাৰণা কৰে যে, ওঠৰ হিজৰীত হজৰত বিলাল (ৰাঃ)ৰ মৃত্যু হৈছিল। এখেত (ৰাঃ)ক দামাস্কাৰ কবৰ স্থানত বাবুছ ছাগিৰৰ ওচৰত সমাধিস্থ কৰা হৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, দামাস্কাত (দামাস্ক)এদিন কিছুমান লোক এঠাইত জমা হৈছিল। হজৰত উমৰ (ৰাঃ)য়েও সেইদিনা হঠাৎ দামাস্কাত আহিছিল। তাৰে লোক সকলে হজৰত উমৰ (ৰাঃ)ৰ ওচৰত আবেদন জনাইছিল যে, তেখেত যেন হজৰত বিলাল (ৰাঃ)ক আজান দিবলৈ কয়। হজৰত উমৰ (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক মাতি আনি কৈছিল যে, লোকসকলে ইচ্ছা কৰিছে যে তুমি আজান দিয়া। হজৰত বিলাল (ৰাঃ)য়ে কৈছিল, আপুনি আমাৰ খলিফা হয়,যদি আপুনি বিচাৰে যে, মই আজান দিওঁ তেন্তে মই আজান দিম কিন্তু মোৰ হৃদয় এয়া বৰদাস্ত (সহ্য) কৰিব নোৱাৰে। তেতিয়াই হজৰত বিলাল (ৰাঃ)য়ে থিয় হৈ উচ্চস্বৰে আগৰ দৰেই আজান দিছিল, যেনেকৈ তেখেতে ৰছুলুল্লাহ (ছাঃ)ৰ জীৱন্ত কালত আজান দিয়া কৰিছিল। হজৰত বিলাল (ৰাঃ)য়ে আজানৰ ধ্বনিবোৰ উচ্চাৰণ কৰি গৈছিল আৰু শ্ৰোতাসকলৰ মন ৰছুলুল্লাহ (ছাঃ)ৰ যুগৰ স্মৃতিত বিষন্ন হৈ পৰিছিল। সেইদিনা হজৰত বিলাল (ৰাঃ)য়ে যেতিয়া আজান দি শেষ কৰিছিল তেতিয়া অচেতন হৈ পৰিছিল আৰু কিছু সময় পিছতেই তেখেত মৃত্যু বৰণ কৰিছিল। এয়াই হৈছে সেই সত্য সাক্ষী,দৃষ্টান্তমূলক কাৰ্য্যকৰ সাক্ষী যে আঁ-হজৰত (ছাঃ)য়ে যেনেকৈ কৈছিল যে, আৰবীয়ান আৰু অআৰবীয়ানৰ মাজত কোনো পাৰ্থক্য নাই আৰু এই সাক্ষী প্ৰৰ্দশিত হৈছিল ভিন্ন এটা সম্প্ৰদায়ৰ ফালৰ পৰা যিসকলে আঁ-হজৰত (ছাঃ)ৰ মৰমীয়াল বাণী শুনিছিল আৰু তাৰ প্ৰভাৱ তেওঁলোকে যি দেখিছিল তেওঁলোকে সেয়া প্ৰমাণ কৰি দিছিল যে, তেখেত (ছাঃ)ৰ নিজৰ সম্প্ৰদায়ে তেখেত (ছাঃ)ৰ সৈতে সেই ভালপোৱা স্থাপন কৰিব পৰা নাই যি প্ৰেম, ভালপোৱা ৰছুলে কৰীম (ছাঃ)য়ে

তেওঁলোকৰ সৈতে স্থাপন কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে,এইজনাই আছিল আমাৰ ছৈয়দিনা হজৰত বিলাল (ৰাঃ),যিজনে নিজৰ প্ৰাণ সখাৰ সৈতে প্ৰেম আৰু আনুগত্য আৰু আল্লাহ তা'লাৰ তৌহিদক নিজৰ হৃদয় কক্ষত স্থাপন কৰিছিল আৰু এয়া নিজৰ কাৰ্য্যৰে বহিঃপ্ৰকাশ কৰোঁতে সেই দৃষ্টান্ত স্থাপন কৰিছে, যি আমাৰ বাবে আদৰ্শ স্বৰূপ আৰু পৱিত্ৰ দৃষ্টান্ত হৈ আছে। আনহাতে আঁ-হজৰত (ছাঃ)ৰও নিজৰ এই গোলামৰ সৈতে থকা প্ৰেম আৰু দয়াৰ সেই কাহিনী আছে, যাৰ উদাহৰণ আমি বিশ্বব্যাপী কতো দেখিবলৈ নাপাওঁ। এয়াই হ'ল সেই বস্তু যিয়ে আজিও মৰম চেনেহৰ বাতাবৰণ সৃষ্টি কৰিব পাৰে, ভাতৃত্ববোধৰ জন্ম দিব পাৰে আৰু দাসত্বৰ শিকলি খণ্ড-বিখণ্ড কৰি দিব পাৰে। গতিকে আজিও আমাৰ যুক্তি তাতেই ৰৈ আছে; আমি যেন তৌহিদ প্ৰতিষ্ঠা আৰু ৰছুলে আৰবী (ছাঃ)ৰ প্ৰেমৰ সেই দৃষ্টান্তবোৰৰ ওপৰত প্ৰতিষ্ঠিত হওঁ।আল্লাহ তা'লা আমাক ইয়াৰ বাবে তৌফিক দান কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন মাওলানা তালিব ইয়াকুব চাহাব ইবনে মহতৰম তৈয়ব ইয়াকুব চাহাব (মুবাল্লিগ ছিলছিলা ট্ৰেনি ডাডা এণ্ড টুবাগো) আৰু মাননীয় ইঞ্জিনিয়াৰ ইফতিখাৰ আলি কুৰাইশি চাহাব প্ৰাক্তন অকিলুল মাল ছালিছ আৰু নায়েব ছদৰ মজলিছ তেহেৰিকে জাদিদ ৰাবৱা) আৰু মাননীয়া ৰেজিয়া চুলতানা চাহিবা পত্নী মৌলবী হাকিম খুৰশিদ আহমদ চাহাব অফ পাকিস্তান, মাননীয় মহম্মদ তাহিৰ আহমদ চাহাব ইবনে মহম্মদ মনছুৰ আহমদ চাহাব নায়েব নাজিৰ বায়তুল মাল কাদিয়ান আৰু প্ৰিয় ভাজন আকিল আহমদ ইবনে মিৰ্জা খলিল আহমদ বেগ চাহাব শিক্ষক ইণ্টাৰনেশনল জামিয়া ঘানা আদি সকলোৰে পৱিত্ৰ জীৱন চৰিত্ৰৰ চমু বৰ্ণনা দি এওঁলোকৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন। (আমিন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 25 SEPTEMBER-2020**

## BOOK POST (PRINTED MATTER)

TO,
.................................................................................................................
.................................................................................................................
.................................................................................................................
.................................................................................................................
.................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**